# PRESS RELEASE REGARDING ENSUING EXAMINATIONS OF GAUHATI UNIVERSITY
## 27/04/2021

In view of the current Covid 19 pandemic and in the interest of continuing the teaching, learning and evaluation process of the University, an urgent meeting was held in the P.D. Seminar Hall of the University under the Chairmanship of Prof. Pratap Jyoti Handique, Vice Chancellor, Gauhati University in which the Presidents and the General Secretaries of Gauhati University Teacher's Association, Assam College Principal's Council, Assam College Teacher's Association and all the Heads of the Teaching Departments of Gauhati University as well as the Registrar, Secretary, University Classes, and Controller of Examination and Executive Council members from amongst the Principals were present. The meeting discussed about the safety and security of the students in particular in view of the ensuing examinations with particular focus as to how to avoid loss of academic session in response to the appeal made by the Vice Chancellor, Gauhati University. The meeting took into consideration the available feasibility and relevant provisions of the regulatory authorities in detail and took the following decisions.

(i) The meeting took into consideration the physical and mental agony of the students in view of the current pandemic, and decided that all U.G and P.G. examinations of the University and in its affiliated colleges are postponed for the time being.

(ii) The meeting discussed in detail about the nature of internet connectivity available to all students (about 2.5 lakhs located in different remote areas as well and lack of suitable electronic gadgets like laptop, smart phones etc), and it is decided that these examinations will be held in the offline mode with 20 days prior notification after the situation reverts to normalcy.

(iii) It is also decided that all classes of all semesters will be started from the 1st week of May 2021 in the offline and online modes as per feasibility depending on local situations in different places/ institutions.

(iv) The meeting also discussed about the current situation and decided that if it persists, the decisions as mentioned above will be reviewed as per requirement.

(v) In the interest of the students in particular and all citizens of the state, the meeting appealed to everyone take care of their physical and mental health.

27/04/21

**Registrar**
**Gauhati University**

# গুৱাহাটী বিশ্ববিদ্যালয়ৰ পাঠদান আৰু পৰীক্ষা সম্পৰ্কীয় বিজ্ঞপ্তি

তাৰিখ-২৭.০৪.২০২১

অসমৰ সাম্প্ৰতিক কভিদ-পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি বিশ্ববিদ্যালয়ৰ পাঠদান আৰু পৰীক্ষাসমূহ সুচাৰুৰূপে চলাই নিয়াৰ সম্ভাৱনীয়তাসমূহ বিচাৰি উলিয়াবৰ বাবে বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষই এখন জৰুৰী সভা আহ্বান কৰে। ২৭.০৪.২০২১ তাৰিখে গুৱাহাটী বিশ্ববিদ্যালয়ৰ সন্মানীয় উপাচাৰ্য্য অধ্যাপক প্ৰতাপজ্যোতি সন্দিকৈৰ সভাপতিত্বত গুৱাহাটী বিশ্ববিদ্যালয়ৰ ফণীধৰ দত্ত সভাকক্ষত অনুষ্ঠিত এই বিশেষ সভাত গুৱাহাটী বিশ্ববিদ্যালয়ৰ শিক্ষক সন্থাৰ সভাপতি/সম্পাদক, অসম কলেজ অধ্যক্ষ পৰিষদৰ সভাপতি / সম্পাদক, অসম কলেজ শিক্ষক সন্থাৰ সভাপতি /সম্পাদক, গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰতিটো বিভাগৰ বিভাগীয় মুৰব্বীসকল, মহাবিদ্যালয়সমূহক প্ৰতিনিধিত্ব কৰা কাৰ্যবাহী পৰিষদৰ সদস্যসকল তথা, গুৱাহাটী বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক, শ্ৰেণীসমূহৰ সচিব আৰু পৰীক্ষা নিয়ন্ত্ৰকৰ উপস্থিতিত কভিদ-পৰিস্থিতিয়ে বিপন্ন কৰি তোলা বাতাবৰণৰ মাজত ছাত্ৰ-ছাত্ৰীৰ শাৰীৰিক তথা মানসিক স্বাস্থ্যৰ দিশটোৰ প্ৰতি লক্ষ্য ৰখাৰ লগতে তেওঁলোকৰ শৈক্ষিকবৰ্ষ যাতে বাধাগ্ৰস্ত নহয়, সেই কথাৰ প্ৰতি গুৰুত্ব প্ৰদান কৰি পাঠদান আৰু পৰীক্ষা সম্পৰ্কত মন্তব্য আগবঢ়াবলৈ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য মহোদয়ে সকলোকে আহ্বান জনায়। তিনিঘন্টাৰো অধিক সময় জুৰি চলা এই আলোচনাত বিশ্ববিদ্যালয় অনুদান আয়োগৰ দ্বাৰা অনুমোদিত পাঠদান আৰু পৰীক্ষা সম্পৰ্কীয় সকলো বিকল্প সম্পৰ্কে পুংখানুপুংখ আলোচনা কৰা হয় আৰু এই আলোচনাৰ অন্তত সৰ্বসন্মতিক্ৰমে তলত দিয়া সিদ্ধান্তসমূহ গ্ৰহণ কৰা হয়—

১) ছাত্ৰ-ছাত্ৰীসকলৰ শাৰীৰিক আৰু মানসিক স্বাস্থ্যৰ প্ৰতি লক্ষ্য ৰখাৰ লগতে তেওঁলোকৰ শৈক্ষিক বৰ্ষ বাধাগ্ৰস্ত নোহোৱাৰ প্ৰতি লক্ষ্য ৰাখি অসমৰ বৰ্তমান কভিদ-পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্নাতক আৰু স্নাতকোত্তৰ পৰ্যায়ৰ অনুষ্ঠিত হ'ব লগীয়া সকলো পৰীক্ষা সাময়িকভাৱে স্থগিত কৰা হ'ল।

২) সভাই বিশ্ববিদ্যালয়ৰ অধীনৰ ছাত্ৰী-ছাত্ৰীসকলৰ (প্ৰায় আঢ়ৈ লাখ) ইন্টাৰনেট সংযোগ ব্যৱস্থাৰ অভাৱ তথা অন্যান্য বৈদ্যুতিন মাধ্যমৰ সা-সঁজুলি (লেপটপ, স্মাৰ্টফোন ইত্যাদি) সীমাবদ্ধতাৰ প্ৰতি লক্ষ্য ৰাখি ৰাজ্যখনলৈ স্বাভাৱিক অৱস্থা ঘূৰি অহাৰ পিছত ২০ দিনীয়া আগতীয়া জাননীৰ ভিত্তিত স্থগিত ৰখা পৰীক্ষাসমূহ অফলাইন (offline) পদ্ধতিৰে অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে।

৩) ছাত্ৰ-ছাত্ৰীৰ শিক্ষা বৰ্ষৰ ক্ষতি সাধন নোহোৱা কৰিবৰ বাবে স্নাতক আৰু স্নাতকোত্তৰ পৰ্যায়ৰ শ্ৰেণীসমূহ কভিদকালীন-পৰিস্থিতিত ২০২১ বৰ্ষৰ মে' মাহৰ প্ৰথম সপ্তাহৰ পৰা পৰিস্থিতিৰ সুবিধা অনুসৰি-অনলাইন অথবা অফলাইন পদ্ধতিৰে আগুৱাই নিবলৈ সিদ্ধান্ত গ্ৰহণ কৰা হয়।

৪) অনাকাংক্ষিতভাৱে যদি কভিদ-পৰিস্থিতিৰ অধিক অৱনতি ঘটে বা এই পৰিস্থিতি অধিক দীঘলীয়া হয়, তেনে অৱস্থাত এই সভাই সিদ্ধান্তসমূহ পুনৰ পৰ্যালোচনা কৰি যথাবিহিত সিদ্ধান্ত গ্ৰহণ কৰিব।

৫) সভাই অসমৰ ছাত্ৰ-ছাত্ৰীসকলক বৰ্তমান পৰিস্থিতিত কভিদ বিধি পালন কৰি নিজৰ শাৰীৰিক আৰু মানসিক স্বাস্থ্যৰ যত্ন ল'বলৈ আহ্বান জনায়।

27/04/21

পঞ্জীয়ক

গুৱাহাটী বিশ্ববিদ্যালয়